# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-07-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশৰ সৈনিকসকলৰ সাহস আৰু নিষ্ঠাক লৈ আমি গৌৰৱান্বিত।

২। চলিত বৰ্ষৰ NEET- PG পৰীক্ষা অহা ১১ আগষ্টত দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব।

৩। পৰিয়াল পেঞ্চন অভিযোগ প্ৰতিকাৰ সম্বন্ধীয় বিশেষ অভিযানৰ প্ৰথম সপ্তাহত এহেজাৰতকৈ অধিক গোচৰ সমাধান কৰা হৈছে।

৪। ওড়িশাৰ পুৰীত প্ৰভু জগন্নাথ, বলভদ্ৰ আৰু সুভদ্ৰা বিশ্বপ্ৰসিদ্ধ ৰথ যাত্ৰাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

*আৰু*

৫। ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত স্পেইন ফ্ৰান্সৰ মুখামুখি হ'ব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত প্ৰতিৰক্ষা বিনিয়োগ অনুষ্ঠান-২০২৪ প্ৰথম পৰ্যায়ত অংশগ্ৰহণ কৰে । সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে দেশৰ সৈনিকসকলৰ সাহস আৰু নিষ্ঠাক লৈ আমি গৌৰৱ অনুভৱ কৰিব পাৰিছো। তেওঁ কয়, তেওঁলোকে সেৱা আৰু ত্যাগৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁলোকৰ সাহসে দেশবাসীক সদায় অনুপ্ৰাণিত কৰিব বুলিও প্ৰধানমন্ত্ৰী গৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে।

00000

চলিত বৰ্ষৰ NEET- PG পৰীক্ষা অহা ১১ আগষ্টত দুটা সময়সূচীত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় চিকিৎসা বিজ্ঞান পৰীক্ষা পৰিষদে ইতিমধ্যে পৰীক্ষাৰ সংশোধিত সময়সূচী জাৰি কৰিছে। উল্লেখযোগ্য যে, এই প্ৰবেশ পৰীক্ষা যোৱা মাহত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও কিছুমান প্ৰতিযোগিতামূলক পৰীক্ষাত আসোঁৱাহৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত এদিন আগেয়ে পৰীক্ষা স্থগিত কৰা হৈছিল।

ইফালে ৰাষ্ট্ৰীয় চিকিৎসা বিজ্ঞান পৰীক্ষা পৰিষদে অনুষ্ঠিত আয়োজন কৰা বিদেশী চিকিৎসা স্নাতক পৰীক্ষা FMGE আজি অনুষ্ঠিত হ'ব। সমগ্ৰ দেশৰ ৫০খন চহৰৰ ৭১টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হ'ব।

00000

পৰিয়াল পেঞ্চন অভিযোগ প্ৰতিকাৰ সম্বন্ধীয় বিশেষ অভিযানৰ প্ৰথম সপ্তাহত এহেজাৰতকৈ অধিক গোচৰ সমাধান কৰা হৈছে। উল্লেখযোগ্য যে, পেঞ্চন আৰু পেঞ্চনাৰসকলৰ কল্যাণ বিভাগে কেন্দ্ৰীয় চৰকাৰৰ

পেঞ্চনাৰসকলৰ জীৱন সুচল কৰি তোলৰ বাবে পহিলা জুলাইৰ পৰা এমাহ্ জোৰা এই বিশেষ অভিযান আৰম্ভ কৰিছে। এই অভিযানত উৎকৃষ্ট প্ৰদৰ্শন কৰা সকলৰ ভিতৰত প্ৰাক্তন সৈনিক কল্যাণ বিভাগ, প্ৰতিৰক্ষা বিত্ত বিভাগ আৰু ৰে'ল মন্ত্ৰ্যালয় আছে।

০০০০০

ৰাষ্ট্ৰীপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি চাৰিদিনীয়া ভ্ৰমণসূচীৰে ওড়িশালৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে ভূৱনেশ্বৰত উত্কলামণি পণ্ডিত গোপাবন্ধু দাসৰ ৯৬ সংখ্যক মৃত্যু বাৰ্ষিকী অনুষ্ঠানত ভাগ ল'ব। শ্ৰীমতী মুৰ্মুৱে কাইলৈ পুৰীত ভগৱান জগন্নাথ গুণ্ডীচ্ছাহ্ ৰথ যাত্ৰাত উপস্থিত থাকিব। এই ভ্ৰমণৰ সময়চোৱাত ৰাষ্ট্ৰপতিগৰাকীয়ে উদয়গিৰি গুহা পৰিদৰ্শন কৰাৰ লগতে উত্কল কলা বিশ্ববিদ্যালয় আৰু বিভূতি কানুনগো কলা আৰু কাৰুশিল্প মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি দুদিনীয়া কাৰ্যসূচীৰে কেৰেলালৈ যাব। ভ্ৰমণৰ প্ৰথমদিনা উপ ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ভাৰতীয় মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ দ্বাদশ দীক্ষান্ত সমাৰোহত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰিব। শ্ৰীধনখড়ে প্ৰতিষ্ঠানৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক উৎকৃষ্টতাৰ মেডেল আগবঢ়াব। শ্ৰীধনখড়ে কাইলৈ কোল্লাম আৰু অষ্টমুদী ভ্ৰমণ কৰাৰ কথা।

০০০০০

উত্তৰ প্ৰদেশ আৰক্ষীয়ে হাথৰছত সংঘটিত শোকাৱহ্ পদপিষ্টৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত দেৱপ্ৰকাশ মধুকৰ নামৰ ব্যক্তিজনক গ্ৰেপ্তাৰ কৰিছে। এই দুৰ্ঘটনাত ১২১ জন লোকে প্ৰাণ হেৰুৱাইছে। আৰক্ষীয়ে এজাহাৰত দেৱপ্ৰকাশ মধুকৰক এই ঘটনাৰ মূল অভিযুক্ত বুলি উল্লেখ কৰিছিল। পূৰ্বেই এই লোকজনৰ তথ্য দিব পৰা ব্যক্তিক ১ লাখ টকা দিয়াৰ কথা ঘোষণা কৰা হৈছিল। এই ঘটনাত জড়িত ৬ জন লোকক গ্ৰেপ্তাৰ কৰা এদিন পাছতে দেৱপ্ৰকাশ মধুকৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। এই সকলো কেইজন ব্যক্তিয়ে সৎসংগ আয়োজক কমিটীৰ সদস্য আছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিটেইনৰ সাধাৰণ নিৰ্বাচনত প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা কীৰ ষ্টাৰমাৰক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীমোদীয়ে কয় যে, ব্ৰিটেইনৰ সৈতে বন্ধুত্ব অধিক শক্তিশালী কৰাৰ বাবে ভাৰত সদায়েই আগ্ৰহী। দুয়োখন দেশৰ মাজত ইতিবাচক আৰু গঠনমূলক সহযোগিতাৰ বাবেও ভাৰত আগ্ৰহী বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে তেওঁৰ কাৰ্যকালত ভাৰত আৰু ব্ৰিটেইনৰ সম্পৰ্ক গভীৰ কৰাত সক্ৰিয় অৱদান আগবঢ়োৱা **ৰিছি ছুনকৰ** প্ৰতিও কৃতজ্ঞতা প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, ষ্টাৰমাৰ্কৰ এই জয়লাভৰ ফলত ব্ৰিটেইনত ট'ৰি দলৰ ১৪ বছৰীয়া শাসনৰ অৱসান ঘটিল। এই নিৰ্বাচনত লেবাৰ পাৰ্টীয়ে ৪১২ খন আসন লাভ কৰাৰ বিপৰীতে কনজাৰভেটিভ পাৰ্টীয়ে ১২১ খন আসন লাভ কৰিবলৈ সক্ষম হয়।

০০০০০

ওড়িশাৰ পুৰীত প্ৰভু জগন্নাথ, বলভদ্ৰ আৰু সুভদ্ৰা বিশ্বপ্ৰসিদ্ধ ৰথ যাত্ৰাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ আৰম্ভ হ'বলগীয়া এই ব্যাপক বাৰ্ষিক উৎসৱ নিয়াৰিকৈ আৰু সফলতাৰে সম্পন্ন কৰাৰ বাবে

নিৰীক্ষণ অন্তিম পৰ্যায়ত উপনীত হৈছে। উৎসৱৰ মূল কাৰ্যসূচী নৱযৌৱন দৰ্শন, নেত্ৰ উৎসৱ, গুণ্ডীচা যাত্ৰাৰ সকলো নীতি-নিয়ম সময়মতে সফলতাৰে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সকলো পক্ষকে সহযোগিতা আগবঢ়াবলৈ শ্ৰীজগন্নাথ মন্দিৰ প্ৰশাসনে আহ্বান জনাইছে। ওড়িশা চৰকাৰে এই উপলক্ষে কাইলৈ আৰু ৮ জুলাইত ৰাজ্যখনত দুদিনীয়া বন্ধ ঘোষণা কৰিছে। উল্লেখযোগ্য যে, ৫৩ বছৰৰ পাছত এই ৰথ যাত্ৰা দুদিনীয়া কাৰ্যসূচীৰে পালন কৰাৰ বাবে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰেও ৰাজ্যপাল ৰঘুবৰ দাস, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝী আৰু অনান্য প্ৰতিনিধিসকলৰ সৈতে কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰথযাত্ৰাৰ সময়ছোৱাত কোনো লোককে মন্দিৰত প্ৰবেশৰ অনুমতি নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰশাসনে ৰথযাত্ৰাৰ সময়ত শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে মহিলাসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। ইপিনে ভাৰতীয়  ৰে'ল বিভাগে ৰথযাত্ৰা উপলক্ষে পুৰী ভ্ৰমণৰ উদ্দেশ্যে ৩১৫খন বিশেষ ৰে'ল চলাচলৰ বিষয়ে ঘোষণা কৰিছে।

০০০০০

মণিপুৰৰ টুইবং আৰু লাম্‌কা খণ্ডত কালি **সম্পূৰ্ণতা অভিযান** আৰম্ভ হৈছে। আৰম্ভণিৰ কাৰ্যসূচীৰ অংশ হিচাপে বিভিন্ন বিভাগে স্বাস্থ্যখণ্ডৰ বিভিন্ন বিষয় বিশেষকৈ গৰ্ভৱতী মহিলা, আই চি ডি এছৰ অধীনত গৰ্ভৱতী মহিলাৰ বাবে পুষ্টিকৰ খাদ্য, কৃষি, সামাজিক কল্যাণ বিভাগৰ অধীনৰ আত্মসহায়ক গোটৰ লগতে শিক্ষাখণ্ডৰ বিভিন্ন বিষয়ৰ অগ্ৰগতিৰ প্ৰতিবেদন প্ৰস্তুত কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি চিত্ৰাংকণ প্ৰতিযোগিতা আৰু সম্পূৰ্ণতা অভিযানৰ  ৰেলীৰো আয়োজন কৰা হয়।

০০০০০

ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত স্পেইন ফ্ৰান্সৰ মুখামুখি হ'ব। জাৰ্মানীৰ ষ্টুটগাৰ্টত অনুষ্ঠিত প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত স্পেইনে জাৰ্মানীক ২-১ গলত পৰাস্ত কৰে। স্পেইনৰ ডানী অল্‌মো আৰু মাইকেল মৰিনোৱে এটাকৈ গল দিয়ে। আনহাতে জাৰ্মানীৰ হৈ ফ্লৰিয়ন বিৰ্টজে একমাত্ৰ গলটো দিয়ে। দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সে পৰ্টুগালক পেনাল্টি শুট আউটৰ সহায়ত ৫-৩ গলৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেল ৯ জুলাইত জাৰ্মানীৰ মিউনিখ আৰু দ্বিতীয়খন ছেমি ফাইনেল ১০ জুলাইত ডাৰ্টমণ্টত খেলোৱা হ'ব। বাৰ্লিনত অহা ১৪ জুলাইত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০

ছেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ তিনিখনিয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত কালি নিশা দক্ষিণ আফ্ৰিকাই ভাৰতক ১২ ৰানত পৰাস্ত কৰে। জয়ৰ বাবে ১৯০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতীয় মহিলাৰ দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেট হেৰুৱাই ১৭৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। টছত জয়লাভ কৰি প্ৰথমে বেট ধৰিবলৈ সিদ্ধান্ত লোৱা দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেট হেৰুৱাই ১৮৯ ৰান সংগ্ৰহ কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ তাজমিন ব্ৰিটছে ৮১ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে ভাৰতৰ হৈ স্মৃতি মান্ধনাই ৪৬ ৰান সংগ্ৰহ কৰে। তাজমিন ব্ৰিটছে খেলখনৰ প্লেয়াৰ অব দা মেটছ সন্মান লাভ কৰে।

উল্লেখ্য ইয়াৰ পূৰ্বে অনুষ্ঠিত হোৱা  তিনিখনীয়া এদিনীয়া শৃংখলাটোত ভাৰতে দক্ষিণ আফ্ৰিকাক ৩-০ ব্যৱধানত পৰাস্ত কৰি শৃংখলা হস্তগত কৰিছিল। ইয়াৰ পিছত অনুষ্ঠিত এখন টেষ্ট মেছত ভাৰতে দক্ষিণ আফ্ৰিকাক ১০ উইকেটত পৰাস্ত কৰিছিল।

ooooo

উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ দ্বৈত শাখাৰ দ্বিতীয় ৰাউণ্ডত ভাৰতৰ ইউকি ভাম্ব্ৰী আৰু ফ্ৰান্সৰ আলবানো অলিভেট্টিৰ যুটিটো জাৰ্মানীৰ কেভিন- ক্ৰাৱিটজৰ হাতত ৬-৪, ৪-৬, ৩-৬ ছেটত পৰাস্ত হয়।

আনহাতে কালি মহিলাৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডত বিশ্বৰ শীৰ্ষ বাছনিপ্ৰাপ্ত  ইগা ছুয়াটেকে ক্ৰ'ৱেচিয়াৰ পেট্ৰা মাৰ্টিকক ৬-৪, ৬-৩ পোনপটিয়া ছেটত পৰাস্ত কৰে।

ooooo

**সমাপ্ত**